**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত চলিত বৰ্ষৰ পদ্ম বঁটাসমূহ প্ৰদান কৰিব।

২। কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ভাৰতৰ ৰাষ্ট্ৰীয় কৃষি সমবায় বিপণন ফেডাৰেচন– নাফেডৰ এটা নিলাম প'ৰ্টেল মুকলি কৰিব।

৩। ভাৰতত অংগদানৰ বাবে পঞ্জীয়ন কৰা লোকৰ সংখ্যা পাঁচ লাখ অতিক্ৰম কৰিছে বুলি কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৪। উত্তৰ প্ৰদেশৰ লক্ষ্ণৌৰ আলিগঞ্জত কালি সংঘটিত অগ্নিকাণ্ডৰ পাছত আৰক্ষীয়ে ৬ জন লোকৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছে আৰু ইয়াৰে ৪ জনক যোৱা নিশা আটক কৰিছে। *আৰু*

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ এখন খেলত ফ্ৰান্সে ইৰাক ৩-০ গলৰ ব্যৱধানত পৰাস্ত কৰিছে।

ooooo

রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত চলিত বৰ্ষৰ পদ্ম বঁটাসমূহ প্ৰদান কৰিব। এখন চৰকাৰী বিজ্ঞপ্তিত প্ৰকাশ কৰা অনুসৰি ৰাষ্ট্ৰপতিগৰাকীয়ে আজিৰ অনুষ্ঠান দুটা পদ্ম বিভূষণ, ৭টা পদ্মভূষণ আৰু ৫৬টা পদ্মশ্ৰী বঁটাকে ধৰি মুঠ ৬৫টা পদ্ম বঁটা প্ৰদান কৰিব। পদ্ম বঁটাৰ বাবে নিৰ্বাচিত বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত টেনিছ তাৰকা বিজয় অমৃতৰাজ, অভিনেতা মামুট্টি, কণ্ঠশিল্পী অলকা য়াগনিক, ক্ৰিকেটাৰ ৰোহিত শৰ্মা অন্যতম। গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যা চৰকাৰে ২০২৬ বৰ্ষৰ বাবে ৫টা পদ্ম বিভূষণ বঁটাকে ধৰি মুঠ ১৩১টা পদ্ম বঁটাৰ বাবে নিৰ্বাচিত ব্যক্তিৰ নাম ঘোষণা কৰিছিল। উল্লেখযোগ্য যে কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া তথা অসামৰিক সেৱা আদি বিভিন্ন ক্ষেত্ৰত উল্লেখনীয় অৱদানৰ বাবে প্ৰতিবছৰে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান হিচাপে এই পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়।

ooooo

কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ভাৰতৰ ৰাষ্ট্ৰীয় কৃষি সমবায় বিপণন ফেডাৰেচন– নাফেডৰ এটা নিলাম প'ৰ্টেল মুকলি কৰিব। নিলাম প্ৰক্ৰিয়াৰ কাৰ্যক্ষমতা অধিক সহজ, স্বচ্ছ আৰু সুচল কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত এই প'ৰ্টেলটো গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। নিলাম প্ৰক্ৰিয়াৰ লগত জড়িত কাম-কাজসমূহক এখন ডিজিটেল মঞ্চ প্ৰদান কৰাৰ লগতে কৃষক, আৰু প্ৰতিষ্ঠানটোৰ সদস্য তথা অংশীদাৰসকলৰ স্বাৰ্থৰ হকে নাফেডৰ সামগ্ৰিক কাম-কাজ উন্নত কৰাৰ ক্ষেত্ৰত এই প'ৰ্টেলটোৱে যথেষ্ট সহায় কৰিব বুলি আশা কৰা হৈছে। সমবায় মন্ত্ৰালয় জানিবলৈ দিয়া মতে এই কাৰ্যসূচীৰ সময়ত শ্ৰীশ্বাহে নাফেডৰ সৈতে জড়িত কেতবোৰ গুৰুত্বপূৰ্ণ ডিজিটেল আৰু কৃষককেন্দ্ৰিক উদ্যমো মুকলি কৰিব। ইয়াৰ ভিতৰত কৃষকৰ শিশুসকলৰ বাবে নাফেড-কল্যাণ জলপানি, মাহজাতীয় আৰু

তৈলজাত শস্যৰ উদ্ভাৱন ব্যৱস্থাপনাৰ বাবে দৃষ্টি প'ৰ্টেল আৰু উদ্যম উৎসৱ পৰিকল্পনা শক্তিশালী কৰাৰ উদ্দেশ্যে আন এটা প'ৰ্টেল অন্যতম। ইয়াৰ পাছত শ্ৰীশ্বাহে নাফেডৰ পৰিচালনা সমিতিৰ সদস্যসকলৰ সৈতে এখন বৈঠকত অধ্যক্ষতা কৰিব। এই বৈঠকৰ সময়ত নাফেডৰ কাজ-কাজৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰাৰ লগতে শ্ৰীশ্বাহে পূৰ্বৰ ভ্ৰমণৰ সময়ত সংস্থাটোৰ বাবে দিয়া পৰিকল্পনা সন্দৰ্ভত দিয়া নিৰ্দেশনা সন্দৰ্ভত গ্ৰহণ কৰা ব্যৱস্থাৱলী আৰু ভৱিষ্যৎ কাৰ্যপন্থাৰ বিষয়ে তেওঁক অৱগত কৰোৱা হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ooooo

ভাৰতত অংগদানৰ বাবে পঞ্জীয়ন কৰা লোকৰ সংখ্যা পাঁচ লাখ অতিক্ৰম কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে এই তথ্য প্ৰকাশ কৰিছে। এই পৰিসংখ্যাই অংগ আৰু কলা দানৰ দৰে জীৱন ৰক্ষাকাৰী পদক্ষেপৰ প্ৰতি দেশবাসীৰ সজাগতা আৰু অৱদান আগবঢ়োৱাৰ মানসিকতাক প্ৰতিফলিত কৰা বুলি মন্ত্ৰালয়ে উল্লেখ কৰিছে। অংগ প্ৰতিৰোপণৰ অপেক্ষাত থকা ৰোগীসকলৰ বাবে এই মহানুভৱতাই নতুন আশাৰ বাট মুকলি কৰিব বুলি মন্ত্ৰালয়ে আশা প্ৰকাশ কৰে। চৰকাৰৰ নিৰন্তৰ প্ৰচেষ্টা আৰু স্বেচ্ছামূলক অংগদানৰ প্ৰতি জনসাধাৰণৰ সজাগতাই এই সাফল্য সম্ভৱ কৰি তোলা বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে।

এই উপলক্ষে ৰাষ্ট্ৰীয় অংগ আৰু কলা প্ৰতিৰোপণ সংস্থাৰ সঞ্চালক ডাঃ অনিল কুমাৰে দেশবাসীলৈ কৃতজ্ঞতা জনোৱাৰ লগতে, অংগদানৰ মহান কাৰ্যত সহযোগিতা আগবঢ়োৱাৰ বাবে সকলো ৰাজ্য চৰকাৰ তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসনলৈ ধন্যবাদ জ্ঞাপন কৰে।

ooooo

সন্ত্ৰাসবাদ বিৰোধী বিষয়ত ভাৰত-মৰক্কো যুটীয়া কাৰ্যকৰী গোটৰ দ্বিতীয়খন বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ সন্ত্ৰাসবাদ বিৰোধী বিভাগৰ যুটীয়া সচিব ড০ বিনোদ বাহড়ে আৰু মৰক্কোৰ ৰাষ্ট্ৰীয় ন্যায়িক আৰক্ষী ব্ৰিগেডৰ হিশাম বালীয়ে বৈঠকৰ সহ-অধ্যক্ষতা কৰে। বৈঠকত উভয় পক্ষই সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদকে ধৰি সকলো ধৰণৰ সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। উভয় পক্ষই যোৱা বছৰৰ ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণ আৰু ১০ নৱেম্বৰত নতুন দিল্লীৰ লালকিল্লাৰ সমীপত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰো গৰিহনা দিয়ে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি এই বৈঠকত দুয়োখন দেশে সন্ত্ৰাসবাদে বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সহযোগিতা অধিক শক্তিশালী কৰাৰ বিভিন্ন দিশ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। তেওঁলোকে লগতে ৰাষ্ট্ৰসংঘ, ফাইনেন্সিয়াল এক্সন টাস্ক ফ'ৰ্চ চমুকৈ এফ এ টি এ, গোলকীয় সন্ত্ৰাসবাদ বিৰোধী মঞ্চকে আদি কৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে।

ooooo

উত্তৰ প্ৰদেশৰ লক্ষ্ণৌৰ আলিগঞ্জ অঞ্চলত কালি বিয়লি এটা কোচিং চেণ্টাৰত সংঘটিত শোকাৱহ অগ্নিকাণ্ডত ১৫ গৰাকী শিক্ষাৰ্থীৰ মৃত্যু হোৱা ঘটনাৰ পাছত আৰক্ষীয়ে ৬ জন লোকৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছে আৰু ইয়াৰে ৪ জনক যোৱা নিশা আটক কৰিছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ নিৰ্দেশৰ পাছতেই লক্ষ্ণৌ উন্নয়ন প্ৰাধিকৰণ, অগ্নি বিভাগ আৰু বিদ্যুৎ বিভাগৰ ৪ গৰাকী বিষয়াক নিলম্বন কৰা হৈছে।

আলিগঞ্জ আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতা আৰু উত্তৰ প্ৰদেশ অগ্নি সেৱা অধিনিয়মৰ সৈতে জড়িত ধাৰাৰ অধীনত ৬ গৰাকী অভিযুক্ত আৰু আন কেইগৰাকীমান ব্যক্তিৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল

কৰিছে। আৰক্ষীয়ে ইতিমধ্যে অগ্নিকাণ্ডৰ ফলত ক্ষতিগ্ৰস্ত ভৱনটো চীল কৰিছে। ঘটনা সঠিক তদন্তৰ বাবে ফৰেনচিক গোট আৰু অগ্নিনিৰ্বাপক বাহিনীৰ দলে ঘটনাস্থলীৰ পৰা প্ৰয়োজনীয় প্ৰমাণ সংগ্ৰহ কৰাৰ উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই ভয়াৱহ অগ্নিকাণ্ডৰ ঘটনাৰ পাছত ভৱনটোৰ সন্দৰ্ভত উন্নয়ন প্ৰাধিকৰণে গ্ৰহণ কৰা পূৰ্বৰ কাৰ্যব্যৱস্থা আৰু তথ্যসমূহো পুনৰ পুংখানুপুংখভাৱে পৰীক্ষা কৰা হ'ব। উল্লেখযোগ্য যে অকৰ্তৃহীন নিৰ্মাণকাৰ্যৰ বাবে ২০১৬ চনতে এই ভৱনটো ভাঙি দিয়াৰ বাবে নিৰ্দেশ দিয়া হৈছিল যদিও দুমাহতকৈ কম সময়ৰ ভিতৰতে এই আদেশ প্ৰত্যাহাৰ কৰা হৈছিল।

০০০০০

কাটাৰৰ ৰাছ লাফানত দেওবাৰ নিশা সংঘটিত দুৰ্ঘটনাত ১২ গৰাকী ভাৰতীয় নাগৰিকে প্ৰাণ হেৰুওৱা বুলি দোহাস্তিত ভাৰতীয় দূতাবাসে নিশ্চিত কৰিছে। দূতাবাসে লগতে এই ঘটনাত শোক প্ৰকাশ কৰাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

দূতাবাসে প্ৰকাশ কৰা অনুসৰি, ঘটনাত আহতসকল বৰ্তমান চিকিৎসাধীন হৈ আছে আৰু তেওঁলোকৰ অৱস্থা সুস্থিৰ বুলি কাতাৰ কৰ্তৃপক্ষই জানিবলৈ দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে দোহাস্থিত ভাৰতীয় দূতাবাসে কাতাৰৰ কৰ্তৃপক্ষৰ সৈতে নিৰন্তৰ যোগাযোগ ৰাখি ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সহায় আগবঢ়াবলৈ প্ৰচেষ্টা চলাই থকা বুলি জানিবলৈ দিছে।

উল্লেখযোগ্য যে, কাতাৰৰ আটাইতকৈ বৃহৎ জুলীয়া প্ৰাকৃতিক গেছ প্ৰক্ৰিয়াকৰণ কেন্দ্ৰটোত হোৱা এই কাৰিকৰী দুৰ্ঘটনাত কমেও ১৩ জন লোকৰ মৃত্যু আৰু ৬৬ গৰাকী লোক আহত হৈছে।

০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ এখন খেলত ফ্ৰান্সে ইৰাক ৩-০ গলৰ ব্যৱধানত পৰাস্ত কৰিছে। খেলখনত তাৰকা খেলুৱৈ কিলিয়ান এমবাপেই দুটা গ'ল কৰি নিজৰ মুঠ গ'লৰ সংখ্যা ১৬টা লৈ বৃদ্ধি কৰি বিশ্বকাপৰ ইতিহাসত সৰ্বাধিক গ'লদাতাৰ তালিকাত দ্বিতীয় স্থানলৈ উন্নীত হয়।

ইপিনে, আমেৰিকাৰ আৰ্লিংটনত অনুষ্ঠিত গ্ৰুপ জে-ৰ আন এখন গুৰুত্বপূৰ্ণ খেলত আৰ্জেন্টিনাই অষ্ট্ৰিয়াক ২-০ গ'লত পৰাস্ত কৰিছ। এই জয়ৰ সৈতে আৰ্জেন্টিনাই প্ৰতিযোগিতাখনৰ পৰৱৰ্তী পৰ্যায় অৰ্থাৎ ৰাউণ্ড অৱ থাৰ্টি-টু-ত নিজৰ স্থান সুনিশ্চিত কৰিছে। অধিনায়ক লিঅ'নেল মেছীয়ে ৩৮ মিনিটত প্ৰথমটো আৰু অতিৰিক্ত সময়ত দ্বিতীয়টো গ'ল কৰি দলৰ জয়ৰ সুনিশ্চিত কৰে। এই দুটা গ'লৰ জৰিয়তে বিশ্বকাপত মুঠ ১৮টা গ'লেৰে মেছীয়ে জাৰ্মানীৰ মিৰোশ্লাভ ক্লোজৰ ১৬টা গ'লৰ অভিলেখ ভংগ কৰি বিশ্বকাপৰ ইতিহাসৰ সৰ্বাধিক গ'লদাতা হিচাপে পৰিগণিত হয়।

বিশ্বকাপত আজি পুৱা ৫ বাজি ৩০ মিনিটত নিউয়ৰ্কৰ নিউ জাৰ্চি ষ্টেডিয়ামত আৰম্ভ হোৱা এখন খেলত নৰৱে চেনেগালৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। পুৱা ৮ বাজি ৩০ মিনিটত আন এখন খেলত ছান্টা ক্ল'ৰাত জৰ্ডান আলজেৰিয়াৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত